# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI

0000000000

**Date :** 24-03-2024
**Time :** 17-15 Hrs

***Assamese Evening Bulletin***

:::::::::::::::::::::::: ::::::::::::::::::::::::::

লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতেই ৰাজনৈতিক দলসমূহে প্ৰচাৰ অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাং জিলাৰ ঢালিগাঁৱৰ বঙাইগাঁও শোধানাগাৰ প্ৰেক্ষাগৃহত বিজেপি, অগপ আৰু ইউ পি পি এলৰ নেতা-কৰ্মীসকলৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰে। কোকৰাঝাৰ লোকসভা সমষ্টিৰ অন্তৰ্গত বিজেপিৰ জিলা সমিতি, মণ্ডল, বিভিন্ন মৰ্চাসমূহৰ সভাপতি-সম্পাদকসকলে এই বৈঠকত অংশ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে দলীয় কৰ্মীসকলক আসন্ন লোকসভা নিৰ্বাচনৰ বাবে সাজু হোৱাৰ লগতে সৰ্বাধিক ভোটত কোকৰাঝাৰ লোকসভা সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীক জয়ী কৰাবলৈ আহ্বান জনায়। এই বৈঠকৰ পাছত তেওঁ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, অশোক সিংহাল, উৰ্খাও গৌৰা ব্ৰহ্ম, বিধায়ক অজয় কুমাৰ ৰায়, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ লগতে মিত্ৰদলসমূহৰ সৈতে আন এখন বৈঠকত অংশ লয়। এই বৈঠকত অনাগত নিৰ্বাচনৰ কাম-কাজ সন্দৰ্ভত বিজেপিৰ মিত্ৰদলৰ কাৰ্যকৰ্তাসকলৰ সৈতে আলোচনা কৰা হয়। অগপৰ কোকৰাঝাৰ আৰু বিজনী জিলা সমিতি নেতৃত্বই এই বৈঠকত অংশগ্ৰহণ কৰে।

০০০০

আসন্ন লোকসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। মৰিগাঁও জিলাৰ আয়ুক্ত তথা নিৰ্বাচনী বিষয়া দেৱাশীষ শৰ্মাই আজি জিলাখনৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰে। তেওঁ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ভোটাৰৰ বাবে প্ৰয়োজনীয় ন্যূনতম সা-সুবিধা যেনে- খোৱাপানী, শৌচালয় আদিৰ সু-ব্যৱস্থাৰ দিশো নিৰীক্ষণ কৰে। নিৰ্বাচনী বিষয়া গৰাকীয়ে জিলাখনত স্থাপন কৰা ষ্ট্ৰং ৰুম পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়। উল্লেখযোগ্য যে, নগাঁও লোকসভা সমষ্টিৰ মৰিগাঁও জিলাত অহা ২৬ এপ্ৰিলত অৰ্থাৎ দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ সম্পন্ন হ'ব। এইবাৰ জিলাখনত মুঠ ভোটকেন্দ্ৰৰ সংখ্যা হৈছে ৯১১টা।

আনহাতে, নিৰ্বাচন সন্দৰ্ভত সজাগতা সৃষ্টিৰ লগতে ভোটদানৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্যৰে হাইলাকান্দি জিলাত আজি বিশেষ সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হয়। পদ্ধতিগত ভোটাৰ শিক্ষণ তথা সজাগতা কাৰ্যসূচীৰ অধীনত শ্ৰীকৃষ্ণন সাৰদা মহাবিদ্যালয়ত এই কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত বাগান অঞ্চলৰ ভোটাৰ তথা নৱ প্ৰজন্মৰ ভোটাৰসকলক ভোটদানৰ প্ৰয়োজনীয়তা সম্পৰ্কে অৱগত কৰা হয়। লগতে ভোটদানৰ সুবিধাৰ্থে নিৰ্বাচন আয়োগে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে তেওঁলোকক অৱগত কৰোৱা হয়।

০০০০

রাজ্যৰ বিভিন্ন প্ৰান্তত আজি বিশ্ব যক্ষ্মা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় চৰকাৰে ২০২৫ চনৰ ভিতৰত দেশৰ পৰা যক্ষ্মাৰোগ নিৰ্মূল কৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰি থকা ৰাষ্ট্ৰীয় যক্ষ্মা দূৰীকৰণ আঁচনিৰ অধীনত গোৱালপাৰা জিলাত ভালেমান সজাগতামূলক কাৰ্যসূচী হাতত লোৱা হয়। উল্লেখযোগ্য যে, জিলাখনৰ ৮১খন গাঁও পঞ্চায়তৰ ভিতৰত ১৫টা গাঁও পঞ্চায়তক যক্ষ্মা মুক্ত গাঁও পঞ্চায়ত হিচাপে ঘোষণা কৰা হৈছে। বিশ্ব যক্ষ্মা দিৱসৰ সৈতে সংগতি ৰাখি আয়োজিত অনুষ্ঠানত এই ১৫খন গাঁও পঞ্চায়তক পুৰস্কৃত কৰা হয়। যক্ষ্মা ৰোগৰ নিৰ্মূলিকৰণৰ ক্ষেত্ৰত অৰিহণা যোগোৱা ব্যক্তি সকলকো এই অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়।

রাজ্যৰ অন্যান্য প্ৰান্তসমূহৰ লগতে মৰিগাঁও জিলাতো এই দিৱসৰ সৈতে সংগতি ৰাখি সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। মৰিগাঁও মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগত আয়োজিত অনুষ্ঠানত চিত্ৰাংকন প্ৰতিযোগিতা, মুকলি সভাৰ লগতে সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০

রাজ্যৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা পৰম্পৰাগত ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে দৌল মহোৎসৱ পালন কৰা হৈছে। ইয়াৰ লগতে ৰঙৰ উৎসৱ ফাঁকুৱাক লৈ ৰাজ্যজুৰি উখল মাখল পৰিৱেশে বিৰাজ কৰিছে। ভিন্নৰঙী আবিৰেৰে ৰাজ্যৰ বজাৰসমূহ ভৰি পৰাৰ সমান্তৰালভাৱে সত্ৰ তথা মন্দিৰসমূহত দৌল উৎসৱৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সত্ৰনগৰী বৰপেটা হোলী গীতৰ অমিয়া সুৰেৰে গুঞ্জৰিত হৈ উঠিছে। দৌল মহোৎসৱৰ উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লোকসকলেৰে সত্ৰ প্ৰাঙ্গন ভৰি পৰিছে। মহাপুৰুষ মাধৱদেৱৰ স্থাপিত ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰতো আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণ দৌল মহোৎসৱ অনুষ্ঠিত হৈছে। আজি সত্ৰ প্ৰাঙ্গনত হোলী গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইপিনে, সত্ৰৰ পৰম্পৰা অনুসৰি আজি বিয়লি সত্ৰৰ টুপৰ চোতালত কলিয়াগোসাঁই আৰু দৌল গোবিন্দ মহাপ্ৰভুক ভকতসকলে সাজি উলিওৱা মেজি পুৰোৱা হ'ব। কাইলৈ ভৰ দেউল আৰু পৰহিলৈ সুঁৱেৰী তথা ফাঁকুৱা পালন কৰা হ'ব। বৰপেটা সত্ৰৰ সমান্তৰালকৈ ঐতিহ্যমণ্ডিত সুন্দৰীদিয়া সত্ৰ, বাৰাদি সত্ৰ, পাটবাউসী শংকৰদেৱৰ থান, বৰপেটা ৰোডৰ শাখা সত্ৰ, সৰভোগৰ মহাপ্ৰভু শ্ৰী শ্ৰী গৰখীয়া গোঁসাই থান আদিতো দৌল উৎসৱ পালন আৰম্ভ হৈছে। ইফালে, দৌল মহোৎসৱৰ সুঁৱেৰী উপলক্ষে বৰপেটা জিলা প্ৰশাসনে অহা ২৬ মাৰ্চৰ দিনা স্থানীয় বন্ধ ঘোষণা কৰিছে। হাউলীত পৰাভড়াল গোপালআতা সত্ৰতো ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ১২৫ সংখ্যক দৌল উৎসৱ পালন কৰা হৈছে। এই উপলক্ষে বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। এই শোভাযাত্ৰাত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ অসমীয়া সাহিত্যলৈ অমূল্য অৱদান বুঢ়ী আইৰ সাধু উপস্থাপন কৰা হয়।

কামৰূপ জিলাৰ ঐতিহ্যমণ্ডিত দৌল গোবিন্দ মন্দিৰতো সম্পূৰ্ণ ধৰ্মীয় পৰম্পৰাৰে পাঁচদিনীয়া কাৰ্যসূচীৰে আজিৰে পৰা দৌল উৎসৱ অনুষ্ঠিত হৈছে। আজি সন্ধিয়াৰ ভাগত দৌল গোবিন্দ মহাপ্ৰভুক মন্দিৰৰ পৰা উলিয়াই সিংহাসনত আৰোহণ কৰোৱাৰ পাছত ব্ৰহ্মপুত্ৰৰ পাৰত **মেষদাহ পৰ্ব** পালন কৰা হৈছে। কাইলৈ মহাপ্ৰভুৰ নিত্য স্থান আৰু মহাপূজাৰ লগতে ধৰ্মীয় পৰম্পৰাৰে মহাপ্ৰভুক ফাঁকু দিয়াৰ পৰ্ব আৰম্ভ হ'ব। পাঁচদিনীয়া এই কাৰ্যসূচীত হোম-যজ্ঞ, নাগাৰা নাম, আতচবাজী প্ৰদৰ্শন, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব।

ইফালে কামৰূপ জিলাৰ ৰঙিয়াৰ ১০৩ বছৰ পুৰণি সীতাৰায় দৌল মহোৎসৱৰ উপলক্ষে ৫ দিনীয়া কাৰ্যসূচী লোৱা হৈছে। আজি পুৱাৰ ভাগত ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাঙ্কন প্ৰতিযোগিতা আৰু দৌল মহোৎসৱৰ পানী তোলা পৰ্ব সম্পন্ন হয়। শুৱালকুছিৰ শ্ৰীহাতী সত্ৰ, দক্ষিণ কামৰূপৰ আমতোলা সত্ৰৰ চতুৰ্ভুজ মন্দিৰ,

ৰঙিয়াৰ পোৰাঢাপ সত্ৰ, দীপ্তেশ্বৰী দেৱালয়, নবুৰ্কা সত্ৰ, হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰতো এই উৎসৱ পালন কৰা হৈছে। জিলাখনৰ পুনিয়া সত্ৰ আদিৰ লগতে কমলপুৰ, চাংসাৰী, বেজেৰা, আমিনগাঁও, মিৰ্জা, চমৰীয়া আদি অঞ্চলতো ধৰ্মীয় পৰম্পৰাৰে দৌল উৎসৱ পালন কৰা হৈছে। তামুলপুৰ জিলাৰ খৈৰাবাৰী শাখা সত্ৰত দৌল উৎসৱ উপলক্ষে উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰিছে। গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্ততো আজি বিয়লিৰ পৰা দৌল উৎসৱ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ৰংজুলিৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীৰামচন্দ্ৰ বিগ্ৰহ দেৱালয়ত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে দৌল উৎসৱ পালন কৰা হ'ব। একেদৰে গোৱালপাৰা চহৰৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰ আৰু পশ্চিম গোৱালপাৰাৰ ঐতিহাসিক কেউলীয়া হাতীসত্ৰতো তিনিদিনীয়াকৈ দৌল উৎসৱ উদযাপন কৰা হ'ব। উল্লেখযোগ্য যে, হোলী উপলক্ষে অহা ২৬ মাৰ্চত গোৱালপাৰা জিলাতো স্থানীয় বন্ধ ঘোষণা কৰা হৈছে।

ঐতিহ্যমণ্ডিত বটদ্ৰৱা থানতো আজিৰে পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দৌলযাত্ৰা মহোৎসৱ অনুষ্ঠিত হৈছে। থানখনত আজি গন্ধোৎসৱ অনুষ্ঠিত কৰাৰ বিপৰীতে কাইলৈ দৌল পূৰ্ণিমা আৰু পৰহিলৈ গোঁসাই ফুৰোৱা উৎসৱ অনুষ্ঠিত কৰা হ'ব। মহোৎসৱৰ আটাইকেইটা দিনতে নিশা অংকীয়া ভাওনাৰ লগতে সত্ৰীয়া নৃত্যানুষ্ঠান হোলী গীত আৰু বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হব। ০০

০০০০

সমাপ্ত